**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-06-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

সমগ্ৰ দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন কেন্দ্ৰত আয়োজিত যোগ দিৱসৰ মূল অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপৰাও গণপতৰাও যাধৱৰ লগতে আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। যোগ দিৱসৰ কাৰ্যসূচীত উপস্থিত সকলোকে সম্বোধন  কৰি শ্ৰীমোদীয়ে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশত যোগৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। বিশ্বৰ বিভিন্ন প্ৰান্তত যোগাভ্যাস কৰা ব্যক্তিৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰি উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰ, অৰুণাচল প্ৰদেশ, নাগালেণ্ডতো যোগ দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

ৰাজ্যত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়। ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ উদ্যোগত গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত আয়োজিত যোগ দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়া, মন্ত্ৰী অজন্তা নেওগ আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই অংশ গ্ৰহণ কৰে।

তেজপুৰৰ চাৰ্চ ফিল্ডত আয়োজিত যোগ দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী অশোক সিংহাল, কেশৱ মহন্ত, বিধায়ক পৃথ্বীৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আদিয়ে অংশ গ্ৰহণ কৰে।

তিনিচুকীয়াৰ মানৱ কল্যাণ পূজা ভৱনত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী, তিনিচুকীয়াৰ বিধায়ক মন্ত্ৰী সঞ্জয় কিষানো এই অনুষ্ঠানত উপস্থিত থাকে। নিজৰ আৰু সমাজৰ বাবে যোগ এই মূল বিষয়বস্তুৰে আজি মৰিগাঁৱতো বিভিন্ন কাৰ্যসূচীৰে যোগ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে মৰিগাওঁ নগৰৰ আৰক্ষী ছাউনীৰ ড্ৰিল শ্বেদত ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসমৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত সমূহীয়া যোগাভ্যাস কাৰ্যসূচী ৰূপায়ন কৰা হয়। অনুষ্ঠানত জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতাৰ বিজয়ীসকলকো পুৰস্কৃত কৰা হয়।

ৰাজ্যৰ অনান্য প্ৰান্তৰ লগতে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰৰ চৌহদতো জিলা প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ প্ৰেক্ষাগৃহত যোগ দিৱস উদযাপিত হয়। গোলঘাট জিলাৰ ইন্দোৰ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ডিব্ৰুগড়ৰ মিলন নগৰস্থিত বহুমুখী ইন্দোৰ ষ্টেডিয়ামত জিলা প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে

আয়োজিত সমূহীয়া যোগাভ্যাস কাৰ্যসূচীত মন্ত্ৰী বিমল বৰা, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ খেলঘৰত অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকাই ভাগ লয়।

০০০০০০০

ডিব্ৰুগড় পৌৰ নিগমৰ প্ৰথমগৰাকী মেয়ৰ হিচাপে আজি ডাঃ সৈকত পাত্ৰই শপত গ্ৰহণ কৰে। ডিব্ৰুগড় পৌৰ নিগমৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত উপ-মেয়ৰ হিচাপে উজ্জ্বল ফুকনৰ লগতে পাৰিষদসকলে শপত গ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেবিনেট মন্ত্ৰী বিমল বৰা, প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ৬ মাৰ্চত ডিব্ৰুগড় পৌৰ সভা পৌৰ নিগমলৈ উন্নীত কৰা হয়।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত কাইলৈৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ৰাজ্য চৰকাৰ, কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে কাইলৈ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ হৈ পৰিব। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। সমিতিয়ে প্ৰকাশ কৰা মতে আজিৰে পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈ বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হবলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে  নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই  খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী  একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ